# Editorial...

On behalf of the Editorial Board of the Journal "Srotaswini", we are glad to present Volume - V, of this journal. "Srotaswini" is a Peer-Reviewed Bienniel Bilingual Research Journal published under the aegis of Jagannath Barooah College Women Cell which aims to provide a space to disseminate multidisciplinary academic research centering on women-related issues. Jagannath Barooah College is a premier institution of higher education located in Jorhat, a city with a rich cultural heritage and a glorious historical background in the upper part of the Brahmaputra Valley of Assam. The college was established in the year 1930. After 92 years of its glorious existence, it has become the hub for educational excellence, fostering its vision and mission in tune with the objectives of Higher Education of the nation.

The journal "Srotaswini" was published in the year 2013, exclusively to publish academic research papers and articles related to women's issues. Since its inception, it has been publishing relevant articles related to the condition and status of women, recovering women's history and writings with a view to empowering them. Each issue of "Srotaswini" deals with a particular broad theme along with sub-themes. The main theme for this issue is "SHAPING NORTH-EAST INDIA: WOMEN'S ROLE, SPACE, AND PERSPECTIVES".

It is a matter of pride for all of us that, the journal is now getting indexed in **UGC-CARE (Consortium for Academic and Research Ethics).** We have been able to reach this stage through the constant support of our college authority, editorial board members, members of the J.B. College women cell, authors/contributors, and reviewers of the journal. We go through a rigorous process of double-blind

review along with the screening of plagiarism of each manuscript received by the journal for publication, in order to maintain academic standards, ethics, and integrity.

We are confident that this issue of our journal "Srotaswini" includes some of the best and most stimulating articles related to women, which includes Women's Education, Women in art, culture, sports, governance, entrepreneurship, the role of women in agriculture, income-generating activities, family health maintenance, traditional knowledge of women, the health status of women, violence on women and discussion or criticism of Government Schemes and Policies for Girl Child and Women Empowerment and female characters in literature, etc. We congratulate all the contributors whose research papers are published in this Issue.

We wish to express our thanks to the Principal, J.B. College (Autonomous), editorial board members, members of the J.B. College women cell, authors/contributors, and reviewers of the journal for their continued support and immense help in breathing life into these pages.

Jyoti Rekha Hazarika
Pallwabee Duarah
Editors

# সম্পাদনাৰ মেজৰপৰা...

## ছাঁ-পোহৰৰ বাটেৰে উত্তৰ-পূৰ্বাঞ্চলৰ নাৰীসমাজ

ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চল ভাষা-সাহিত্য-সংস্কৃতিৰ যাদুঘৰ। ইতিহাসে ঢুকি নোপোৱা কালৰেপৰা এই ভূ-খণ্ডলৈ বিভিন্ন প্ৰজাতিৰ মানুহ আহি সমন্বয়ৰ মাজেৰে এক যৌগিক সংস্কৃতিৰ সৃষ্টি কৰিছে। আৰ্য-আৰ্যভিন্ন লোকৰ সাংস্কৃতিক সমাহৰণেৰে সুসমৃদ্ধ এই ভূখণ্ডত পুৰুষৰ সমান্তৰালভাৱে নাৰীয়ে প্ৰায় ঊনবিংশ শতিকাৰ শেষলৈকে আৰ্থ-সামাজিক, শৈক্ষিক, ৰাজনীতি কিম্বা বৌদ্ধিক দিশত এখোজৰপৰা দুখোজ অগ্ৰসৰ হ'ব নোৱৰাটো আছিল উল্লেখনীয় বিষয়। বিংশ শতিকাৰ মাজভাগৰপৰা শিক্ষাৰ ক্ষেত্ৰত পূৰ্বৰেপৰা থকা লক্ষ্মণৰেখাৰ কিছু শিথিলতাৰ বাবে অসমীয়া নাৰীয়ে উত্তৰণৰ পথত আগবাঢ়িলেও জনজাতীয় প্ৰেক্ষাপটত গৰিষ্ঠসংখ্যক নাৰীয়ে ঘৰুৱা কৰ্মৰ মাজতেই নিজকে আবদ্ধ কৰি ৰাখিছিল। সম্প্ৰতি বিশ্বায়নে আনি দিয়া পৰিবৰ্তন উত্তৰ-পূৰ্বাঞ্চলৰ নাৰীৰ বাবে একপ্ৰকাৰ আশীৰ্বাদস্বৰূপ হৈ পৰিছে। অসমতকৈয়ো উত্তৰ-পূৰ্বাঞ্চলৰ অন্য ৰাজ্যৰ স্ত্ৰী-শিক্ষাৰ অগ্ৰগতি চকুত পৰা। তথাপি এই কথা অনস্বীকাৰ্য যে, মেঘালয়ৰ মাতৃতান্ত্ৰিক সমাজত বসবাস কৰা নাৰীসমাজৰ অৰ্থনৈতিক ভেটি সবল হ'লেও পৰোক্ষভাৱে ইয়ো একপ্ৰকাৰ শোষণস্বৰূপ— কিয়নো ঘৰে-বাহিৰে সকলো ধৰণৰ কামৰ বোজা বহন কৰিবলগীয়া হয় নাৰীয়েই। 'ইমা মাৰ্কেট'ৰ দৰে মাতৃতান্ত্ৰিক বজাৰ আদিয়ে মণিপুৰৰ একাংশ নাৰীৰ অৰ্থনৈতিক স্বাৱলম্বিতাৰ সমান্তৰালভাৱে অন্য ক্ষেত্ৰসমূহত দেখা অ-সমতাও এক চিন্তনীয় বিষয়।

সততে প্ৰশ্ন হয়, সমসাময়িক লোকচক্ষুত নাৰীৰ সামগ্ৰিক স্থিতি কি? সামন্তযুগীয় শোষণ-শাসনে নিয়ন্ত্ৰণ কৰা সমাজ-ব্যৱস্থাত নাৰীৰ সৰ্বতোপ্ৰকাৰৰ উত্তৰণ আজিও সপোন হৈয়েই ৰৈছে। আৰ্থিক স্বাৱলম্বিতাৰে আগবঢ়া উত্তৰ-পূৰ্বাঞ্চলৰ নাৰীসমাজ কিছু স্বতন্ত্ৰ হ'লেও এই স্বতন্ত্ৰতাৰ দৌৰ কিমান দূৰলৈকে ধাৱমান— সেয়া আজি ভাবি চাবলগীয়া বিষয়। পুৰুষ-নাৰীৰ সম অধিকাৰৰ প্ৰশ্ন বহুক্ষেত্ৰত এতিয়াও দূৰ পৰাহত। গ্ৰাম্য অৰ্থনীতিত নাৰীৰ অৱস্থান উন্নত নহ'লে এখন দেশৰ সৰ্বাংগীন উন্নতি অসম্ভৱ। অথচ গ্ৰামাঞ্চলত বসবাস কৰা সিংহভাগ নাৰীয়ে কৃষিক্ষেত্ৰতেই হওক, ক্ষুদ্ৰ উদ্যোগ বা কুটিৰশিল্পৰ ক্ষেত্ৰতেই হওক, প্ৰশিক্ষণপ্ৰাপ্ত নোহোৱাৰ বাবে অনেক সমস্যাৰ সৃষ্টি হৈছে। গ্ৰামাঞ্চলৰ বহু নাৰীয়ে ব্যক্তিগত পৰ্যায়ৰ বেংকৰপৰা অধিক সূতত ঋণ লৈ কৰ্মত কেতিয়াবা তিলমানো বিনিয়োগ নকৰাকৈ আৰু কেতিয়াবা আঁচনি নোহোৱাকৈ অধিক লাভৰ আশাত কম পৰিশ্ৰমতে ঋণৰ ধনৰাশি খটুৱাই মূৰকত ঋণ পৰিশোধ কৰিব নোৱাৰি পৰিয়াললৈ দুৰ্যোগ কঢ়িয়াই অনাৰ ঘটনা সততে পৰিলক্ষিত হৈছে। কোনো কোনোৱে এনে ঋণৰ ধন উচিত কৰ্মত নলগাই বিলাসী কৰ্মত প্ৰয়োগ কৰাৰ ফল অতি বিষময় হৈ পৰিছে। যি কৰ্মই নহওক লাগে, আধুনিকীকৰণ তথা যথাবিহিত ব্যৱস্থাৰে সেই কৰ্মৰ বাণিজ্যিকীকৰণৰ ব্যৱস্থা নকৰিলে নগৰ-চহৰৰ

মহিলাই কোনোকালেই উচিত মূল্য নাপাব। তাৰ লগতে লাগিব কৰ্মৰ প্ৰতি নিষ্ঠা আৰু সততা। কাম নকৰিলে পেট নভৰে— আজি অসমৰ সহস্ৰ ক্ষুদ্ৰ আত্মসহায়ক গোটৰ ভূমিকা হ'ব লাগিব উৎসৰ্গীকৃত আৰু কৰ্মতৎপৰ।

জাতি-জনজাতি নিৰ্বিশেষে ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ, বিশেষকৈ গ্ৰামাঞ্চলত বসবাস কৰা নাৰীসমাজলৈ লক্ষ্য কৰিলে দেখা যায় গৰিষ্ঠসংখ্যক নাৰীয়ে এতিয়াও ঘৰুৱা কাম-কাজ, সন্তান প্ৰতিপালন, পানীয় প্ৰস্তুতকৰণ, ৰন্ধনশালা, পৰম্পৰাগত কৃষিকৰ্ম আদিৰ মাজতেই সময় পাৰ কৰিবলগীয়া হৈছে। জনগোষ্ঠীয় লোকসমাজত শৈশৱৰপৰাই কন্যা সন্তানক ঘৰৰ ভিতৰচ'ৰাৰ কৰ্মৰ শিক্ষা দিবলৈহে সাধাৰণতে প্ৰয়াস কৰা হয়। শৈক্ষিক দিশত ব্যুৎপত্তি লভি ন্যূনতমসংখ্যকেহে স্বাৱলম্বিতাৰ আদিপাঠ শিকিবলৈ সুযোগ পাইছে। কম বয়সতে বিবাহত আবদ্ধ হৈ বহু যুৱতীয়ে পেলাইছে এৰিছে শিক্ষা গ্ৰহণৰ অধিকাৰ। তাঁতশালত সপোনৰ ফুল বছা ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ নাৰীয়ে ঐতিহ্য আৰু ৰূপান্তৰৰ সমৰূপতা ৰক্ষা কৰি বয়নশিল্পৰ উত্তৰণৰ মূলমন্ত্ৰ নজনাৰ বাবেও জীৱিকাৰ সঠিক বাট এটা কাটিবলৈ সমৰ্থ হ'ব পৰা নাই। অসম তথা ভাৰতৰ সাতোখন ৰাজ্যৰ সাজপাৰৰ বৰ্ণাঢ্য ৰং-ৰূপ-বৈশিষ্ট্যই বিশ্বৰ নাৰীসমাজক আকৰ্ষিত কৰিবলৈ এতিয়াও উপযুক্ত মঞ্চ পোৱা নাই।

কৌটিল্যৰ 'অৰ্থশাস্ত্ৰ'ত উল্লেখ আছে— "চক্ৰমেকং ন ৱৰ্ততে।" এটা চকাৰে যেনেকৈ ৰথ চলোৱা কাৰ্য অসম্ভৱ, ঠিক তেনেকৈ সমাজ নামৰ ৰথখন নাৰী অবিহনে কেৱল পুৰুষ নামৰ চকাৰে চলোৱাটো অসম্ভৱ কথা। বৈদিক যুগত পুৰুষৰ সমানে ঋষিত্ব অৰ্জন কৰি মন্ত্ৰদ্ৰষ্টা হ'বলৈ সক্ষম হোৱা কিয়দংশ নাৰী ঋষিয়ে যি মান্যতা লভিছিল সেয়া বিশ্বৰ ইতিহাসত বিৰল। তাৰমাজতেই 'মনু-সংহিতা'ত নাৰীৰ বাবে আঁকি দিয়া হ'ল এডাল লক্ষ্মণৰেখা। জন্মৰপৰা বৃদ্ধাৱস্থালৈকে নাৰীৰ স্বতন্ত্ৰতাত বাধা আৰোপ কৰি নৱম অধ্যায়ৰ তৃতীয় শ্লোকত সন্নিৱিষ্ট হ'ল এই নিষেধাজ্ঞা ঃ

"পিতা ৰক্ষতি কৌমাৰে ভৰ্ত্তা ৰক্ষতি যৌৱনে।
ৰক্ষতি স্থৱিৰে পুত্ৰা ন স্ত্ৰী স্বাতন্ত্ৰ্যমৰ্হতি।।" (৯.৩)

'মনু সংহিতা'ত নাৰীক অবলাৰূপে প্ৰোথিত কৰি পিতৃ, স্বামী আৰু পুত্ৰৰ অধীন কৰা ভাবনাৰ মুক্তি বিচাৰি সময় বাগৰিল। পৰিৱৰ্তনৰ ঘূৰ্ণী বতাহে নাৰীসমাজৰ মানসিকতাক এদিন স্পৰ্শ কৰিলেহি। সমগ্ৰ বিশ্বৰ প্ৰেক্ষাপটত নাৰীশক্তিয়ে সাৰ পালে। নাৰী-পুৰুষৰ শ্ৰমৰ অ-সম বিভাজন তথা অৰ্থনৈতিক বৈষম্যই নাৰীসমাজক জাগৰিত কৰিলে। লাহে লাহে সমগ্ৰ বিশ্বতে প্ৰশ্ন উঠিল লিংগ বৈষম্যৰ। সাম্যবাদী দৃষ্টিভংগীৰে স্ব-অধিকাৰ বিচাৰি নাৰী সোচ্চাৰ হ'ল। পুৰুষ-নাৰীৰ শ্ৰমৰ সমমৰ্যাদাৰ লগতে ভোটাধিকাৰৰ অধিকাৰ, শিক্ষাৰ অধিকাৰ, ৰাজনীতিৰ অধিকাৰ আদি সাংবিধানিক সকলো মৌলিক অধিকাৰ বিচাৰি সমগ্ৰ বিশ্বৰ শোষিত নাৰীসমাজ প্ৰতিবাদমুখৰ হৈ পৰিল। অগা-পিছাকৈ সলনি হ'ল ভাৰতৰ নাৰীসমাজৰ জীৱন পৰিক্ৰমা। ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলকো পৰিৱৰ্তনৰ প্ৰথম কিৰণে স্পৰ্শ কৰিলেহি। মূলাগাভৰু, জয়মতী, কুৰংগনয়নী আদি মহীয়সী নাৰীৰ ত্যাগৰ মন্ত্ৰকে সাৰোগত কৰি গৌৰৱ অনুভৱ কৰা অসমীয়া নাৰীয়ে নিজক ন-কৈ মূল্যায়ন কৰাৰ বাবে উৎসাহী হৈ উঠিল। পদ্মপ্ৰিয়া আয়ে কাটি যোৱা প্ৰাচীন বাটটো মোকলাই ঊনবিংশ শতিকাৰ শেষ দশকৰপৰা বিংশ শতিকাৰ আদি পৰ্বত হাতত কলম তুলি ল'লে ধৰ্মেশ্বৰী দেৱী, নলিনীবালা দেৱী, যমুনেশ্বৰী শইকীয়া, আজলীতৰা নেওগ আদি মুষ্টিমেয় লেখিকাই। 'চিক' ভাঙি পুৰুষৰ সমান্তৰালভাৱে আসন ল'বলৈ উদাত্ত আহ্বান জনালে চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে। 'ঘৰজেউতি'য়ে জাগ্ৰত কৰিলে নাৰীমুক্তিৰ চেতনা। কনকলতা, ভোগেশ্বৰী ফুকননী আদি স্বদেশপ্ৰেমৰ মন্ত্ৰত দীক্ষিত হোৱা নাৰীৰ চৰম ত্যাগে চকুলো সৰালে সকলোৰে। এদিন স্বাধীনতাৰ মুক্ত বতাহত ছাঁৰ মাজেৰে পোহৰৰ বাটটো চিনি উত্তৰ-পূৰ্বাঞ্চলৰ নাৰীসমাজ অধিক জাগৰিত হ'ল। ভাষা-সাহিত্য-সংস্কৃতিকে মুখ্য কৰি সমাজ-ৰাজনীতি-অৰ্থনীতিত নাৰীয়ে বাট বুলিলে। ৰাজনীতিত নাৰীৰ স্থান সীমিত হ'লেও সাহিত্যত নাৰীকণ্ঠ বিংশ শতিকাৰ পঞ্চম দশকৰপৰা

আজিলৈকে অতিকে উচ্চ। 'জ্ঞানপীঠ বঁটা'ৰপৰা 'সাহিত্য অকাদেমি'ৰ বিভিন্ন বঁটাৰে ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ নাৰী আজি সন্মানিত হৈছে। শাৰীৰিক শ্ৰমৰপৰা অতি সম্প্ৰতি 'ই-শ্ৰম'লৈকে যোগ্যতাৰ মাপকাঠীৰে নাৰীয়ে পঞ্জীয়ন কৰিব পৰা হৈছে। অনুষ্ঠান-প্ৰতিষ্ঠান, ঔদ্যোগিক, বাণিজ্য আদি বিভিন্ন ক্ষেত্ৰত নাৰী সংযুক্ত হৈছে শিক্ষা আৰু বুদ্ধিদীপ্ততাৰে।

এনেকৈয়ে উত্তৰণ আৰু প্ৰত্যাহ্বানৰ মাজেৰে উত্তৰ-পূৰ্বাঞ্চলৰ নাৰীসমাজে একবিংশ শতিকাত খোজ থ'লেহি। তথাপি কিয় মন-আকাশৰপৰা আঁতৰা নাই দুৰ্ভাবনাৰ কলীয়া মেঘৰ ছাঁ? একবিংশ শতিকাৰ বিজ্ঞান, তথ্য আৰু প্ৰযুক্তিৰে উত্তৰিত গণতান্ত্ৰিক দেশ ভাৰতবৰ্ষত আজিও কিয় হয় নাৰী আৰু পুৰুষৰ অসমতাৰ দ্বন্দ্ব? শিক্ষাৰ সম্প্ৰসাৰণ আৰু আধুনিকীকৰণে আজি আমাৰ মানসিকতালৈ চূড়ান্ত পৰিৱৰ্তন আনিছে। তাৰ মাজতো নাৰীসমাজলৈ নামি অহা অনেক ঘটনা-পৰিঘটনাই আমাৰ মন-মগজু-বিবেকক বাৰুকৈয়ে জোঁকাৰি গৈছে। ডাইনী হত্যা, পাৰিবাৰিক হিংসা, পণ-অপহৰণ, ধৰ্ষণ-হত্যা আদি নিত্য-নৈমিত্তিক ঘটনাই ভাবিবলৈ আমাক ক্ষণে ক্ষণে বাধ্য কৰাইছে আমি প্ৰকৃততে কোনখন সমাজত বাস কৰিছোঁ? মনোৰমা দেৱী, নিৰ্ভয়াৰ কাণ্ডকে মুখ্য কৰি অলেখ অমানৱীয় কাণ্ডই আমাক কিয় কঁপাই তুলিছে? অকল্পনীয়ভাৱে অনেক আবাল-বৃদ্ধ-বণিতাই কিয় আদবাটতে হেৰুৱাবলগীয়া হৈছে জীৱন এই সভ্যসমাজৰে এচাম পশুৰূপী মানুহৰ হাতত? সভ্য সমাজত কিয় নাৰী আজিও হাত সাৰিব পৰা নাই মানসিক নিৰ্যাতনৰ পাশৱিকতাৰপৰা?

পুত্ৰ সন্তান থকা বহু পৰিয়ালত কন্যা সন্তানৰ বাবে সম্পত্তিৰ অধিকাৰ আজিও এক অসহনশীল বিষয়। নাৰীক 'অৰ্ধ আকাশ'ৰ স'তে কৰা ৰিজনি তেনে পৰিয়ালৰ বাবে এক প্ৰকাৰ প্ৰহসন মাত্ৰ। লোকসমাজত বিবাহ আৰু যমালয়ক একে শাৰীতে থ'ব খোজা মানসিকতাৰ সলনি নহ'লে এচাম নাৰী সদায় মৰি মৰি জীয়াই থাকিব লাগিব— এয়া নিশ্চিত সত্য। শাৰীৰিক নিৰ্যাতনৰ চিন শৰীৰত দৃশ্যমান; কিন্তু আধুনিক জীৱনে পদে পদে দিয়া মানসিক নিৰ্যাতনৰ চিন প্ৰতিগৰাকী উচ্চ শিক্ষিত বা নিৰক্ষৰ নাৰীৰ হৃদয়ত ৰৈ যায়— যাক উপেক্ষা কৰিব নোৱাৰি মৰণপৰ্যন্ত।

স্বামী বিবেকানন্দই সঠিক কথাই কৈ গৈছে— "পূৰ্ণ স্বাতন্ত্ৰই পূৰ্ণ নাৰীত্ব।" ঋগ্বেদৰ স্বতন্ত্ৰ, স্বাধীনমনা পূৰ্ণ ভাৰতীয় নাৰীৰ মানসিকতাত মধ্যযুগীয় সমাজে বান্ধি দিয়া নিয়মৰ অনতিক্ৰম্য প্ৰতিবন্ধকতা আৰু পুৰাতন নীতি-নিয়মৰ শৃংখল ভাঙি আজি কেইগৰাকী নাৰী আগবাঢ়িব পাৰিছে সেয়া লক্ষণীয় বিষয়। তথাপি আমি আগুৱাব লাগিব। মাংৰি ওৰাং, ৰাণী গাইডিনল্যু, ইৰম শৰ্মিলা, ইন্দিৰা মিৰি, টেমচুলা আও, মামং দাই, বিৰুবালা ৰাভাৰ দৰে বহু নাৰীৰ জীৱন-কৰ্ম আৰু আদৰ্শৰদ্বাৰা উদ্বুদ্ধ হৈ সফল ব্যক্তিৰূপে নিজকে থিয় কৰাবলৈ ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতিগৰাকী নাৰীয়ে অহৰহ প্ৰয়াস কৰিবই লাগিব। ৰক্ষণশীলতাৰ বৃত্ত ভাঙি ওলাই আহিব লাগিব আজিৰ নাৰীসমাজ। শিক্ষানুষ্ঠানত 'ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী', 'ৰাষ্ট্ৰীয় সমাজ সেৱা' আদিত ছাত্ৰৰ অনুপাতে বাঢ়িব লাগিব ছাত্ৰীৰ সংখ্যা। নিজৰ জীৱনৰ সুৰক্ষাৰ সমান্তৰালভাৱে দেশৰ নিৰাপত্তা নাৰীয়ে নিজেই ল'ব পৰা হ'ব লাগিব। শৈক্ষিক অগ্ৰসৰতা হ'ব লাগিব প্ৰতিগৰাকী কন্যা সন্তানৰ বাবে জীৱনৰ মূলমন্ত্ৰ।

তথাপি মনৰ মাজত কিছু প্ৰশ্নই উক্‌মুকায়। বিশ্বায়নে গৰকা একবিংশ শতিকাৰ দুটা দশক পাৰ হ'ল। কেৱল উত্তৰ-পূৰ্বাঞ্চলতেই কিয়, সমগ্ৰ ভাৰতৰ পৰিপ্ৰেক্ষিতত পৰিয়ালত সিদ্ধান্ত গ্ৰহণ, অৰ্থনৈতিক অধিকাৰ আৰু ক্ষমতাৰ হস্তান্তৰকৰণ কৰাৰ ক্ষেত্ৰত এতিয়াও পুৰুষ-নাৰীৰ মাজত মধ্যযুগীয় অসমতা পৰিলক্ষিত। চাৰি ভাগৰ এক শতাংশ নাৰীৰ আৰ্থিক সবলীকৰণে সমগ্ৰ নাৰী জাতিক প্ৰতিনিধিত্ব নকৰে— এই কথা দিনৰ পোহৰৰ দৰে সঁচা কথা। সেয়েহে ভাৰতৰ সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ নাৰীৰ সৰ্বতোপ্ৰকাৰ উত্তৰণৰ ক্ষেত্ৰত কোন কোন কাৰকে মুখ্য ভূমিকা গ্ৰহণ কৰিব পাৰে, দ্বিতীয়তে, উত্তৰণ যদি হৈছে— সেই প্ৰগতিৰ অগ্ৰগতি কেনে? সমাজ-সাহিত্য-সংস্কৃতি, বিজ্ঞান-বাণিজ্য-ৰাজনীতি-অৰ্থনীতি তথা বৌদ্ধিক পৰিমণ্ডলত ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ নাৰী কৰ্মদক্ষতাৰে, সবলীকৰণেৰে, স্বাৱলম্বিতাৰে,অধ্যয়ন-বুদ্ধি-বৃত্তি-মেধাৰে বিকশিত হৈ

স্বতন্ত্ৰ দৃষ্টিভংগীৰে জাগৰূক হৈ কিমানদূৰ আগবাঢ়িছে আৰু এই উত্তৰণৰ মাপকাঠী কি? সাংবিধানিক আইনগত ৰক্ষাকৱচ উত্তৰ-পূৰ্বাঞ্চলৰ সকলো নাৰীয়ে পাইছেনে? পুৰণিকলীয়া ৰীতি-নীতি, ধ্যান-ধাৰণাৰপৰা মুক্ত হৈ, লিংগভিত্তিক বৈষম্যক নিলগাই থৈ আঠোখন ৰাজ্যৰ নাৰীয়ে মূৰ তুলি আকাশ চাব পাৰিছেনে? আজি একবিংশ শতিকাৰ তৃতীয় দশকৰ দুৱাৰ-ডলিত ভৰি থৈয়ো নাৰীৰ নিজা পৰিচয় কি? ইত্যাদি অনেক প্ৰশ্নৰ খতিয়ান লোৱাৰ লগতে মানসিক দাসত্বৰ শিকলি ছিঙি নাৰীৰ অন্তৰ্জগতক জাগৰিত কৰাৰ উদ্দেশ্য আগত লৈয়েই জগন্নাথ বৰুৱা মহাবিদ্যালয় মহিলা কোষৰদ্বাৰা প্ৰকাশিত আলোচনী 'স্ৰোতস্বিনী'ৰ পঞ্চম সংখ্যাটি আগবঢ়োৱা হৈছে।

বিশ্ববিদ্যালয় অনুদান আয়োগৰ 'Consortium for Academic & Research Ethics' তালিকাত ইতিমধ্যে অন্তৰ্ভুক্ত হোৱা 'স্ৰোতস্বিনী'— এই গৱেষণাধৰ্মী আলোচনীখনৰ এইবাৰৰ মূল বিষয় ধাৰ্য কৰা হৈছিল— 'Shaping North-East India : Women's Role, Space and Perspectives.' উপবিষয় হিচাপে অসমকে ধৰি ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ নাৰীসমাজৰ আৰ্থ-সামাজিক উত্তৰণ কিম্বা অনগ্ৰসৰতা, উত্তৰ-পূৰ্বাঞ্চলৰ নাৰী আৰু শিক্ষা; ভাষা-সাহিত্য-ৰাজনীতিত নাৰীৰ স্থান; চলচ্চিত্ৰ, কৃষি, বাণিজ্য, ক্ৰীড়া, ঔদ্যোগিক ক্ষেত্ৰ, বিজ্ঞান জগতত নাৰীৰ ভূমিকা; নাৰীৰ বাবে চৰকাৰী আঁচনি আৰু ইবোৰৰ বিভিন্ন দিশ; স্বাস্থ্যৰক্ষাৰ ক্ষেত্ৰত নাৰীৰ ভূমিকা; নাৰীৰ অৰ্থনৈতিক স্বাধীনতা আৰু সম অধিকাৰৰ প্ৰসংগ; পৰম্পৰাগত জ্ঞান আৰু ইয়াৰ প্ৰয়োগ; প্ৰসিদ্ধ লেখকৰ ৰচনাত নাৰীৰ মূল্যায়ন, বিভিন্ন স্তৰত নাৰী শোষণ-বঞ্চনাৰ বলি হোৱাৰ কাৰণ আৰু প্ৰত্যাহ্বান আদি বিষয় সন্নিৱিষ্ট মুঠ ৩১টা প্ৰবন্ধ গৱেষণামূলক দৃষ্টিভংগীৰে উপস্থাপন কৰাৰ প্ৰয়াস কৰা হৈছে। আশাকৰোঁ পাঠকসমাজে এই গৱেষণামূলক লেখাখিনিৰ জৰিয়তে ভাবনাৰ দিগন্তত কিঞ্চিৎ হ'লেও বিচৰণ কৰিবলৈ সমৰ্থ হ'ব।

'স্ৰোতস্বিনী'ৰ প্ৰবন্ধৰাশিৰ সকলো দিশ নিৰপেক্ষভাৱে বিচাৰ-বিশ্লেষণ কৰি যথা সময়ত আমালৈ প্ৰেৰণ কৰাৰ বাবে অন্তঃনিৰীক্ষক আৰু বহিঃনিৰীক্ষকসকললৈ কৃতজ্ঞতা জনালোঁ। প্ৰবন্ধলেখকসকলে যথাবিহিত নিৰীক্ষণ পদ্ধতিৰ মাধ্যমেৰে প্ৰবন্ধৰাশি আমালৈ প্ৰেৰণ কৰিছে। ইয়াৰ মাজতো থকা তথ্যবিভ্ৰাটৰ বাবে লেখক দায়বদ্ধ হ'ব।

'স্ৰোতস্বিনী'য়ে বিশ্ববিদ্যালয় অনুদান আয়োগৰ 'CARE' তালিকাত অন্তৰ্ভুক্ত হোৱাৰ ক্ষেত্ৰত বিশেষভাৱে উদ্যোগ লোৱা জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ড° বিমল বৰা আৰু 'মহিলা কোষ'ৰ সকলো বিষয়ববীয়া তথা সদস্যাক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

পৰিশেষত, "গাঁৱলীয়া বাটেৰে লুইতৰ ঘাটেৰে পৃথিৱী চাবলৈ ওলালি কোন? গাঁৱৰে সোণ, তয়ে হ'বি দেশৰে জিলিকা জোন" বুলি জ্যোতিপ্ৰসাদ আগৰৱালাই গীতৰ মাজেদি আশা ব্যক্ত কৰাৰ দৰে ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতিগৰাকী ছোৱালী উচ্চ শিক্ষাৰে শিক্ষিত হৈ, দেশৰ জোন হৈ নিৰ্মল পোহৰ বিলাবলৈ সমৰ্থ হওক। প্ৰতিগৰাকী ছোৱালী কেৱল 'নাৰী' অভিধাতে সীমাবদ্ধ নহৈ একোগৰাকী 'ব্যক্তি'লৈ ৰূপান্তৰিত হওক। আত্ম-মৰ্যাদাৰে নিজক চিনক। সমাজ তথা দেশক শুদ্ধভাৱে পৰিচালিত হোৱাৰ ক্ষেত্ৰত আৰ্জিত শিক্ষা আৰু অভিজ্ঞতাৰে সহযোগিতা আগবঢ়াওক। আমি বিচাৰোঁ সমাজত লিংগ-বৈষম্যৰ সলনি লিংগগত সাম্য। আমি বিচাৰোঁ পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাত পুৰুষৰ সমভাৱে নাৰীৰ 'ক্ষমতায়ন'। বিজ্ঞান মনস্কতাৰে, যুক্তিবাদী দৃষ্টিভংগীৰে সকলো ধৰণৰ অন্ধবিশ্বাসৰপৰা মুক্ত হৈ আহক পুৰুষ-নাৰী নিৰ্বিশেষে একেলগে যাত্ৰা কৰোঁ— এই যাত্ৰা হওক সৰ্বতোপ্ৰকাৰ উত্তৰণৰ...

জ্যোতিৰেখা হাজৰিকা
পল্লৱী দুৱৰা
যুটীয়া সম্পাদক, 'স্ৰোতস্বিনী'